**NSD NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 21-06-2024
**Time :** 1340 Hrs.

***Assamese Midday Bulletin***
***HEADLINES***
**<u>HEADLINE</u>**

১। সমগ্ৰ দেশতে আজি দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ শ্বেৰ-এ-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৰৰ্তন কেন্দ্ৰত আয়োজিত মূল অনুষ্ঠানত অংশগ্ৰহণ কৰে।

২। অসমত আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন ইণ্ড'ৰ ষ্টেডিয়ামত আয়োজিত কাৰ্যসূচীত ৰাজ্যপাল গুলাবচান্দ কাটাৰীয়া, শোণিতপুৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা, তিনিচুকীয়াত কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে।

৩। দিল্লী উচ্চ ন্যায়ালয়ে আজি আৱকাৰী নীতি কেলেংকাৰীৰ গোচৰ সন্দৰ্ভত প্ৰদান কৰা সকাহক প্ৰত্যাহ্বান জনাই বিধি বলবৎকাৰী সঞ্চালকালয়ে কৰা আবেদনৰ শুনানি গ্ৰহণ নকৰালৈকে অৰবিন্দ কেজৰিৱালক জামিন প্ৰদান কৰাৰ নিৰ্দেশ কাৰ্যকৰী নহ'ব বুলি প্ৰকাশ কৰিছে।

৪। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ'বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে।

আৰু

৫। আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ আজিৰ প্ৰথমখন খেলত অষ্ট্ৰেলিয়াই বাংলাদেশক ২৮ ৰানত পৰাস্ত কৰে।

0000000

সমগ্ৰ দেশতে আজি দশম আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস পালন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে জম্মু-কাশ্মীৰৰ শ্ৰীনগৰৰ শ্বেৰ-এ-কাশ্মীৰ আন্তঃৰাষ্ট্ৰীয় অভিৰৰ্তন কেন্দ্ৰত আয়োজিত মূল অনুষ্ঠানত অংশগ্ৰহণ কৰে। উত্তৰ পূৰ্বাঞ্চলৰ মণিপুৰ, অৰুণাচল প্ৰদেশ, নগালেণ্ডতো যোগ দিৱসৰ কাৰ্যসূচীৰ আয়োজন কৰা হয়।

ইপিনে অসমতো আন্তঃৰাষ্ট্ৰীয় যোগ দিৱস উপলক্ষে ৰাষ্ট্ৰীয় আয়ুষ মিছনৰ উদ্যোগত গুৱাহাটীৰ দেশভক্ত তৰুণৰাম ফুকন ইণ্ড'ৰ ষ্টেডিয়ামত আয়োজিত দশম যোগ দিৱসৰ কাৰ্যসূচীত ৰাজ্যপাল গুলাবচান্দ কাটাৰীয়া, মন্ত্ৰী অজন্তা নেওগ আৰু গুৱাহাটী পৌৰ নিগমৰ মেয়ৰ মৃগেন শৰণীয়া আৰু

শোণিতপুৰত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই অংশ গ্ৰহণ কৰে। তিনিচুকীয়াৰ মানৱ কল্যান পূজা ভৱনত আয়োজিত কাৰ্যসূচীত কেন্দ্ৰীয় মন্ত্ৰী তথা ডিব্ৰুগড় লোকসভা সমষ্টিৰ সাংসদ সৰ্বানন্দ সোণোৱালে অংশগ্ৰহণ কৰে। প্ৰাক্তন কেন্দ্ৰীয় ৰাজ্য মন্ত্ৰী ৰামেশ্বৰ তেলী, তিনিচুকীয়াৰ বিধায়ক মন্ত্ৰী সঞ্জয় কিযানো এই অনুষ্ঠানত উপস্থিত থাকে।

উত্তৰ লক্ষীমপুৰ বিশ্ববিদ্যালয়ৰ খেলঘৰত অনুষ্ঠিত কাৰ্যসূচীত মন্ত্ৰী পীযুষ হাজৰিকাই ভাগ লয়। কাৰ্বি আংলঙত ডিফু কাছা ইণ্ড'ৰ ষ্টেডিয়ামত কাৰ্বি আংলং স্বায়ত্ব শাসিত পৰিষদৰ মুখ্য কাৰ্যবাহী সদস্য তুলিৰাম ৰংহাঙে অংশগ্ৰহণ কৰে। যোৰহাটত আৰক্ষী চাৰনিত, ধুবুৰীত গুৰুদ্বাৰ প্ৰাংগনত, চৰাইদেউত জিলা ৰাজহুৱা খেলপথাৰ ষ্টেডিয়ামত যোগ দিৱসৰ কাৰ্যসূচী আয়োজন কৰে। ইপিনে তামোলপুৰত আয়োজিত অনুষ্ঠানত বিধায়ক জলেন দৈমাৰীয়ে ভাগ লোৱাৰ লগতে বাক্সাৰ পূব খাগ্ৰাবাৰী ৰাস মন্দিৰ প্ৰাংগন, বঙাইগাওঁ,কোকৰাঝাৰ, নগাঁও, মাজুলী আদিটো যোগ দিৱস উদযাপন কৰা হয়। গোৱালপাৰা জিলা প্ৰশাসনে জিলা আয়ুক্ত কাৰ্যালয়ৰ চৌহদত এই দিৱস পালন কৰে। এই কাৰ্যসুচীত গুৱাহাটী লোকসভা সমষ্টিৰ সাংসদ বিজুলি কলিতা মেধি আৰু জিলা উপায়ুক্ত খনিন্দ্ৰ চৌধুৰীৰ লগতে অনান্য বিশিষ্ট ব্যক্তিসকলে আংশগ্ৰহণ কৰে।

০০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হবলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হবলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেবছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০০

ইফালে দেশৰ লগতে বিদেশৰো বিভিন্ন ঠাইত আজি দশম যোগ দিৱসৰ কাৰ্যসূচী পালন কৰা হয়। সমগ্ৰ নেপালতে আজি পুৱাৰ ভাগতে যোগাসনৰ অভ্যাস কৰা হয়। কাঠমাণ্ডুত থকা ভাৰতীয় দুতাবাসে পতঞ্জলি যোগপীঠ আৰু পোখাড়া মহানগৰৰ সহযোগত যোগাসন কাৰ্যসূচীৰ আযোজন কৰে।

০০০০০

প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে অহা ৩০ জুনত আকাশবাণীযোগে প্ৰচাৰ হ্বলগীয়া মন কী বাত অনুষ্ঠানৰ বাবে জনসাধাৰণৰ পৰা দিহা পৰামৰ্শ বিচাৰিছে। প্ৰধানমন্ত্ৰীয়ে সামাজিক মাধ্যমযোগে নৰেন্দ্ৰ মোদী এপ, মাই গভ মুকলি মঞ্চৰ জৰিয়তে অথবা ১৮০০-১১-৭৮০০ এই শুল্কবিহীন নম্বৰত ফোন কৰি পৰামৰ্শ আগবঢ়াবলৈ সকলোৰে প্ৰতি আহ্বান জনাইছে। অনুষ্ঠানটিৰ এই খণ্ডটিৰ বাবে ২৮ জুন পৰ্যন্ত পৰামৰ্শ গ্ৰহণ কৰা হ'ব।

এয়া অনুষ্ঠানটিৰ ১১১ সংখ্যক আৰু শ্ৰীমোদী একেৰাহে তৃতীয় কাৰ্যকালৰ বাবে প্ৰধানমন্ত্ৰী হিচাপে নিৰ্বাচিত হোৱাৰ পাছত প্ৰচাৰ হ্বলগীয়া প্ৰথম খণ্ড।

আকাশবাণী - দূৰদৰ্শনৰ সমগ্ৰ নেটৱৰ্কৰ লগতে আকাশবাণীৰ ৱেৱছাইট আৰু নিউজ অন মোবাইল এপযোগে এই অনুষ্ঠান প্ৰচাৰ কৰা হ'ব। আকাশবাণী, দূৰদৰ্শন নিউজ, প্ৰধানমন্ত্ৰী কাৰ্যালয় আৰু তথ্য আৰু সম্প্ৰচাৰ মন্ত্ৰালয়ৰ ইউটিউব চেনেলযোগেও এই অনুষ্ঠানৰ প্ৰচাৰ কৰা হ'ব। আকাশবাণীয়ে প্ৰচাৰ হোৱাৰ ঠিক পাছতেই অনুষ্ঠানটিৰ আঞ্চলিক ভাষান্তৰ প্ৰচাৰ কৰিব।

০০০০০০

তামিলনাডুৰ কল্লাকুৰিছিত বিষাক্ত সুৰা পান কৰি আক্ৰান্ত হোৱা ১৬৫ জন লোকৰ ভিতৰত এতিয়ালৈকে ৪৭জন লোকৰ মৃত্যু হৈছে। আন ১১৮ জন লোক চিকিৎসাৰ বাবে বিভিন্ন হাস্পতালত ভৰ্তি হৈ আছে। সংবাদ মাধ্যমৰ সৈতে হোৱা কথা-বতৰাত কাল্লাকুৰিছিৰ জিলাধিপতি এম এছ প্ৰশান্তে চিকিৎসাধীন লোকসকলৰ ভিতৰত ৬ জন লোকৰ অৱস্থা গুৰুতৰ বুলি প্ৰকাশ কৰিছে। ইপিনে আন ৬৮ জন লোক ক্ৰমান্বয়ে সুস্থ হ'বলৈ ধৰিছে। এই ঘটনা সংক্ৰান্তত ইতিমধ্যে গ্ৰেপ্তাৰ কৰা ৪ জন লোকক ১৫ দিনৰ বাবে ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰা হৈছে।

০০০০০০

সমাগত সাধাৰণ বাজেটৰ পূৰ্বে আজি বিত্তমন্ত্ৰী নিৰ্মলা সীতাৰমণে নতুন দিল্লীত কৃষক সংগঠনৰ প্ৰতিনিধি আৰু কৃষি অৰ্থনীতিবিদসকলৰ সৈতে বাজেটৰ প্ৰাৰম্ভিক আলোচনাত মিলিত হয়। বৈঠকত বিত্ত ৰাজ্যিক মন্ত্ৰী পংকজ চৌধাৰী, বিত্ত সচিব টি ভি সোমনাথন, মুখ্য অৰ্থনৈতিক উপদেষ্টা ভি অনন্থ নাগেশ্বৰন, অৰ্থনৈতিক পৰিক্ৰমা বিভাগৰ

সচিব আৰু কৃষি মন্ত্ৰালয়ৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

ইয়াৰ পূৰ্বে বিত্তমন্ত্ৰীগৰাকীয়ে উদ্যোগৰ গৰাকী আৰু সংগঠনসমূহৰ লগতে আগশাৰীৰ অৰ্থনীতিবিদসকলৰ সৈতে বাজেট সন্দৰ্ভত বৈঠকত মিলিত হৈছিল।

০০০০০০

উষ্চতম ন্যায়ালয়ে আজি নীট –ইউ জি– ২০২৪ কাউন্সেলিং প্ৰক্ৰিয়া বন্ধ কৰিবলৈ অস্বীকাৰ কৰি ৰাষ্ট্ৰীয় পৰীক্ষণ সংস্থা ( NTA)লৈ জাননী প্ৰেৰণ কৰিছে। আদালতে বৰ্তমানৰ আবেদনসমূহৰ সৈতে নতুন আবেদন সংলগ্ন কৰি ৮ জুলাই শুনানিৰ তাৰিখ নিৰ্ধাৰণ কৰে। নীট ইউ জি পৰীক্ষা সন্দৰ্ভত চলি থকা আইনী প্ৰক্ৰিযাৰ মাজতে এই সিদ্ধান্ত গ্ৰহণ কৰা হৈছে।

০০০০০০

ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মুৰে সাংসদ ভৰ্তুহৰি মহতাবক সংবিধানৰ ৯৫ (১) অনুচ্ছেদৰ অধীনত নতুন অধ্যক্ষৰ নিৰ্বাচন নোহোৱালৈকে লোকসভাৰ অস্থায়ী অধ্যক্ষ হিচাপে নিযুক্তি দিছে। সামাজিক মাধ্যমত কালি সংসদীয় পৰিক্ৰমা মন্ত্ৰী কীৰেন ৰিজিজুৰে এই বিষয়ে প্ৰকাশ কৰে। অষ্টাদশ লোকসভাৰ

প্ৰথম অধিৱেশ ২৪ জুনত আৰম্ভ হ'ব। ২৬ জুনত অধ্যক্ষৰ নিৰ্বাচন অনুষ্ঠিত কৰা হ'ব। এই অধিৱেশনৰ সময়ছোৱাত নৱনিৰ্বাচিত সাংসদসকলক শপত বাক্য পাঠ কৰোৱা হ'ব আৰু ৰাষ্ট্ৰপতি শ্ৰীমতী মুৰ্মুৱে সংসদৰ উভয় সদনৰ যুটীয়া বৈঠকত ভাষণ দিব। ৰাজ্যসভাৰ অধিৱেশন ২৭ জুনত আৰম্ভ হ'ব। সংসদৰ অধিৱেশনৰ ৩ জুলাইত সামৰণি পৰিব।

00000

বাংলাদেশৰ প্ৰধানমন্ত্ৰী শ্বেইখ হাছিনা আজি দুদিনীয়া ভ্ৰমণসূচীৰে ভাৰতলৈ আহিব। এই ভ্ৰমণসূচীৰ সময়ছোৱাত শ্ৰীমতী হাছিনাই প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ সৈতে আলোচনাত মিলিত হ'ব। তেওঁ লগতে ৰাষ্ট্ৰপতি শ্ৰীমতী দ্ৰৌপদী মুৰ্মু, উপৰাষ্ট্ৰপতি জগদীপ ধনখড় আৰু বিদেশ মন্ত্ৰী ড০ এছ্ জয়শংকৰকো সাক্ষাৎ কৰিব। ভাৰতত নতুন চৰকাৰ গঠন হোৱাৰ পাছত এয়া প্ৰথমটো দ্বিপীক্ষিক ভ্ৰমণ হ'ব।

00000

0000000

আই চি চি টি-টুৱেণ্টি বিশ্বকাপ ক্ৰিকেট প্ৰতিযোগিতাৰ ছুপাৰ এইট পৰ্যায়ৰ আজিৰ প্ৰথমখন খেলত অষ্ট্ৰেলিয়াই বাংলদেশক ২৮ ৰানত পৰাস্ত কৰে। নৰ্থ চাউণ্ড এণ্টিগুৱাৰ চাৰ ভিভিয়ান ৰিচাৰ্ডচ ষ্টেডিয়ামত অনুষ্ঠিত খেলখনত বাংলাদেশে নিৰ্ধাৰিত ২০ অভাৰত ৮টা উইকেটৰ বিনিময়ত ১৪০ ৰান কৰে। ইয়াৰ প্ৰত্যুত্তৰত অষ্ট্ৰেলিয়াই ১১ অভাৰ ২টা বলত দুটা উইকেট হেৰুৱাই ১০০ ৰান কৰা অৱস্থাতে খেলখনত  বৰষুণে বিঘিনি ঘটায়। পাছত ডাক ৱৰ্থ লিৱিছ পদ্ধতিৰে অষ্ট্ৰেলিয়াক বিজয়ী ঘোষণা কৰা হয়। অষ্ট্ৰেলিয়াৰ পেচ বলাৰ পেট কিউমিনচ তিনিটা উইকেট দখল কৰি টি-২০ বিশ্বকাপত হেট্ৰিক অৰ্জন কৰা প্ৰথমগৰাকী খেলুৱৈ হিচাপে পৰিগণিত হৈছে। আজি দ্বিতীয়খন খেলত নিশা ৮ বজাত ছেণ্ট লুছিয়াৰ দাৰেন ছেমি নেছনেল ক্ৰিকেট ষ্টেডিয়ামত ইংলেণ্ড দক্ষিণ আফ্ৰিকাৰ বিৰুদ্ধে অৱতীৰ্ণ হ'ব।

ইপিনে কালি নিশা বাৰ্বাদোজৰ কিংষ্টন অভেলত অনুষ্ঠিত খেলত ভাৰতে আফগানিস্তানক ৪৭ ৰানত পৰাস্ত কৰে।

0000000

0000000

সমাপ্ত